Hoyto Mudradosh
হয়তো মুদ্ৰাদোষ
A collection of Assamese poems by Rajeev Barua,
published by Mayashree Barua, on behalf of Pratham Prakashan, Kahilipara,
Guwahati-19

Price: ₹ 100.00

© Rajeev Barua.
Phone: +91 94351 40449
rajeev.barua@rediffmail.com
rajeevbarua63@gmail.com

**প্ৰথম প্ৰকাশ**
জুলাই ২০১৬

**প্ৰচ্ছদ (ফটোগ্ৰাফ-গ্ৰাফিক্স) আৰু অংগসজ্জা**
কুশল দত্ত

**প্ৰকাশক**
প্ৰথম প্ৰকাশন, কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯
ফোন ঃ +৯১ ৯৪৩৫১ ৪০৪৪৯

**পৰিৱেশক**
বান্ধৱ, সৰস্বতী মাৰ্কেট, গুৱাহাটী-৭৮১০০১
ফোন ঃ +৯১ ৯৮৫৯৬ ৪৬৫৩৩

**মুদ্ৰণ**
ভৱানী অফছেট এণ্ড ইমেজিং প্ৰাঃ লিঃ
ৰাজগড় ৰোড, গুৱাহাটী-৭৮১০০৭

সকলো শুভানুধ্যায়ীৰ কৰকমলত

## বাট

এটা অকলশৰীয়া মুহূৰ্তৰ নিৰ্জনতাত
বহুপৰ থিয় হৈ আছোঁ
এনেতে এহাল ল'ৰা-ছোৱালী (হয়তো যমজ)
চকুৰ আগেদি পাৰ হৈ গ'ল
দুয়ো হাঁহি-মাতি বাটৰ কথা পাতিছে
পিঠিত দুয়োৰে কিতাপৰ বোজা
কিতাপবোৰত অঁকা আছে সিহঁত যোৱা
আৰু যাবলৈ বাকী থকা বাটৰ নক্সা

বাট-অবাটৰ দোমোজা নাথাকিলে
মনৰ চকুত সমুখৰ বাট-পথ সদায় পোন
সিহঁতৰ চকুতো আঁকি থোৱা বাটটো পোন
সিহঁতে নাজানে সৰল বাট হেৰাই যায়
ক'ৰবাত ভাঁজ লৈ নোহোৱা হয়...

দলঙত উঠি পাৰ হয় নদ-নদী, কেতিয়াবা সাগৰ
কাৰো বাবে সদায় পোন হৈ নাথাকে বাট
খলা-বমাত উজুটি খাই সংজ্ঞা হেৰায়

সিহঁতে বাছি ল'ব লাগিব বাটৰ মাজৰ এটা বাট
দুয়ো একেলগে যাব পৰা বাট হয়তো নাথাকিব
এৰি অহা বাটৰ আনন্দই আমনি কৰিব

কোন কি বাটেৰে যাব এতিয়াই ক'ব নোৱাৰি
বাটৰ সৈতে সিহঁতৰ ভাল চিনাকিয়েই নাই
সিহঁতক সমুখত লৈ ময়ো বাটৰ ভাগৰ মাৰিছোঁ
বাটৰ ওপৰেদি গৈ বাটৰ কথাকে ভাবিছোঁ

⏭



## ৰ'দ বাহিনী

আজিও মোৰ এই দিন অনৰ্থৰ ফালে গৈ থাকোঁতে
হঠাৎ এটা পুৰণি নাদৰ মুখত
দেখা পালোঁ এটা বাঘ মকৰাৰ জাল
জালৰ সূতাবোৰ ৰ'দ পৰি জিলিকিছে
তিৰ্‌বিৰাইছে মকৰাৰ দেহৰ কেঁচা সোণ বৰণৰ আঁচ
সেই তিৰ্‌বিৰণিৰ তলত
নাদৰ গভীৰ অন্ধকাৰ অতল

কাষতে এটা বাঁহৰ খুঁটা আধা পচা
তাতে বাঘ মকৰাৰ বাহ
বাঁহৰ খুঁটাই আজিও সাক্ষী দিয়ে
পানীৰ বাবে এটা জলপাত্ৰই কিদৰে মানি লৈছিল
এডাল ৰছীৰ সৈতে তাৰ বন্দী দশা

বাঘ মকৰাই কাকো জালত পেলাব পৰা নাই
ৰ'দ বাহিনীয়ে সেই জালত সোমাই নীৰৱে চলাইছে অভিযান
জিলিকি উঠিছে বাঘ মকৰাৰ কেওটা ঠেং
আৰু তাৰ দেহৰ ৰূপালী ৰেছমী পাং

খোদ চিকাৰী মকৰা আজি ৰ'দৰ চিকাৰ
আৰু অথলে নাযায় মোৰ এই দিন...

⏭

## হয়তো মুদ্ৰাদোষ

আপোনাৰ ভংগিমাতে আপুনি থাকে
অৱশ্যে সহজভাৱে
হয়তো মুদ্ৰাদোষৰ দৰে

জড় আৰু জীৱন সকলোকে
আপোনাৰ স্পৰ্শ লাগে
জোকাৰি থকা হাতখনে যেতিয়া সঁহাৰি নাপায়
আঁঠুৰে নীৰৱে সামৰি থয়
আগৰ খোজবোৰতে নতুনে খোজকাঢ়ে

ক'ব নোৱাৰে ভেঙুচালিবোৰত আপুনি নাই
অৱশ্যে অসতৰ্ক অদৃশ্য ভাৱত

আপোনাতে সিদ্ধ আপোনাৰ হাত
তাকে জানো নকয় সিদ্ধহস্ত
হাতৰ তলুৱাতে ভাগ্য ৰেখা আঁকি
বিধিয়েও দিছে তাতে মোহৰ মাৰি...

⏭



## ফাগুনৰ আন এজাক বতাহ

মোৰ মনত আছে তুমি মোক বিচাৰি আহিছিলা— কৈশোৰত স্কুল খতি কৰি মই তেতিয়া চিলা উৰুৱাই আছিলোঁ— মুকলিত দিনবোৰ যে কেনেকৈ পাৰ হৈ গ'লহুঁ আজি বন্ধৰ দিন। তুমি মোক বিচাৰি আহিছা। বেয়া নাপাবা, মইহে তোমাক বিচাৰি যাব লাগিছিল। উপায় নাই। এখন চিলাৰ দৰে যে উৰি আছোঁ আকাশত। আহোঁতে মোক ধুনীয়াকৈ অঁকাই থৈ আহিছিলোঁ বগা বগা বেনাৰত। আজি শুনিলোঁ বেনাৰবোৰেও উৰিব খোজে। ফাগুনৰ বতাহজাকে বৰকৈ উচটাই আছে। কি স'তে উৰিবলৈ দিওঁ তুমিয়েই বাৰু কোৱাচোন? বেনাৰত মুখ নেদেখিলে কোনে বাৰু মোক পাব চিনি? ইমানকৈ ক'লোঁ— বধিৰ বতাহজাকে একোনে নুশুনে। তুমিও বুজাবাচোন। তোমালোক সমতলৰ মানুহ। তলৰ বতাহৰ স'তে ভাল চিনাকি। আৰু... যদি মই ওপৰৰপৰা পৰোঁ সৰি— তোমালোক আছাই দেখোন...

⏭

## ভাৰত বৰিষ

ইমান পোহৰ হ'ল
আন্ধাৰবোৰো ধৰা পৰি গ'ল
জল্‌মল্ পোহৰত সকলোৰে দেখিলে
কোন বহি আছে কাৰ কোলাত
কোন অতদিনে উঠি আছিল কাৰ বোকোচাত

ইমান পোহৰ হ'ল চছ্‌মা পিন্ধা মানুহ
চকুৰে চাই ক'ব নোৱাৰিলেও
চছ্‌মাৰ ফাঁকেৰে চাই কৈ দিব পাৰে
বেজী নে সেয়া কুঠাৰৰ জলঙা

মন-মগজুত সোমাই থকা ডাৰৰবোৰ
মাটিত বাগৰি পৰিল
অ' তেনেহ'লে মৌচুমী আহিল

একোটা জীয়া মানুহে বা
বেংকৰ কাউণ্টাৰত দীঘল শাৰী পাতি
অচেতন হৈ পৰাজনেও লৈ ফুৰিব লাগে
জী থকাৰ ভেলিড প্ৰমাণ-পত্ৰ
মানুহে নহয়, তথ্যকোষেহে হেনো ক'ব
কোন সঁচা, কোন মিছা বা আধা সঁচা অথবা ৰক্ত পৰীক্ষা
অথচ তথ্যবোৰ মানুহেই গঢ়িছে-ভাঙিছে
বিভিন্ন কৌণিক ভংগীত পথৰ দাঁতিত ওলমাই থৈছে
শিতানৰ গাৰুটোৰে নকৰেনে নিদ্ৰাহৰণ
অকালতে মৰহি নাযায় টাবৰ গোলাপফুল



তুলনাবোৰ আজিকালি তুলনীয় নহয়
ৰং বা ছাই লাগি ধূসৰ উপমা উৎপ্ৰেক্ষা
তথাপি বাহিৰখন পাৰে মনে ঘঁহি-মাজি চিক্‌মিকাই থওঁ
ভিতৰখন লেতেৰা কৰাৰ বাবে

মাটিৰ ঘৰবোৰে এতিয়াও অজস্ৰ সূতাৰে
ধৰি ৰাখিছে আকাশত উৰি থকা
ৰঙীণ বা ক'লা-বগা চিলাৰ পৰিয়াল
আজিও নিজ নিজ ৰাশিফল চাই
ৰঙা, নীলা, বেঙুনীয়া শাড়ী পিন্ধি জুপুৰি ঘৰৰপৰা
বাটলৈ ওলায় অৰ্ধেক ভাৰতবৰ্ষ...

